DAILY ASSAM

## ২৪। বাক্য সংযোজন

২৪ ঃ ১ বক্তা বা লিখকৰ বাক্য গঠনৰ ৰীতি অনুযায়ী কেতিয়াবা সৰু সৰু বাক্য গঢ়ি মনৰ ভাব প্ৰকাশ কৰে আৰু কেতিয়াবা একেযাৰ কথাৰ মাজতে কেইবাটাও কথা প্ৰকাশ কৰে। লিখকে নিজৰ ৰচনাশৈলী ভেদে সৰু সৰু সৰল বাক্য নাইবা চমুকৈ জটিল বা যৌগিক বাক্যৰ ঠাঁচত ভাববোৰ প্ৰকাশ কৰে। দুই বা বেছি পৰস্পৰ সম্বন্ধযুক্ত বাক্যক অৰ্থৰ কোনো পৰিবৰ্তন নোহোৱাকৈ এইদৰে এটা বাক্যত পৰিণত কৰাকে বাক্য সংযোজন কোৱা হয়। বাক্য সংযোগ কৰোঁতে অৰ্থৰ কোনো লৰচৰ নহয়। সংযোজিত বাক্যটো সৰল, জটিল বা যৌগিক বাক্য হ'ব পাৰে।

২৪ ঃ ২ বাক্য সংযোজন কৰোঁতে বাক্য সংকোচন হ'ব পাৰে। সংকোচন হ'লে বাক্য শ্ৰুতি মধুৰো হয়। যেনে তেনে সংকোচন কৰা ইয়াৰ উদ্দেশ্য নহয়, বাক্যবোৰক সংযোগ কৰাহে লক্ষ্য। বাক্য গঠনৰ ফালেদি তিনি প্ৰকাৰৰ কাৰণে সংযোজন কৰিলে তিনি প্ৰকাৰৰ বাক্যই পোৱা যায়। যথা —

(ক) সৰল বাক্য ঃ দুই বা ততোধিক সৰল বাক্য সংযোগ কৰি এটি সৰল বাক্য গঢ়িব পাৰি।

(খ) মিশ্ৰ বাক্য ঃ দুই বা ততোধিক সৰল বাক্য বা মিশ্ৰ বাক্যক সংযোগ কৰি এটি মিশ্ৰ বাক্য হ'ব পাৰে।

(গ) যৌগিক বাক্য ঃ দুই বা ততোধিক সৰল বা জটিল বাক্যক সংযোগ কৰি এটি যৌগিক বাক্য গঢ়িব পাৰি।

২৪ ঃ ৩ বাক্যবোৰ সংযোজন কৰোঁতে নিম্নলিখিত উপায়বোৰ অৱলম্বন কৰা হয়। যথা—

(ক) যদি বাক্যবোৰৰ কৰ্তা একে হয়, তেন্তে এটা বাক্যৰ সমাপিকা এটি ৰাখি আন আন ৰাক্যৰ সমাপিকা ক্ৰিয়াবোৰ অসমাপিকা ক্ৰিয়া কৰি ব্যৱহাৰ কৰিলে বাক্যবোৰ সংযোজিত হ'ব।

সৰল বাক্যবোৰক সংযোগ কৰি একেটি সৰল বাক্য, মিশ্ৰ বা যৌগিক বাক্য গঢ়িব পাৰি। যথা—

১। চোৰে চুৰি কৰিবলৈ ঘৰত সোমাল। মানুহৰ শব্দ শুনিলে। সিহঁত তৎক্ষণাৎ পলাল।

চোৰে চুৰি কৰিবলৈ ঘৰত সোমোৱাত মানুহৰ শব্দ শুনি তৎক্ষণাৎ পলাল।

২। লাচিত গুৱাহাটীৰ বৰফুকন হ'ল। মোগলৰ লগত যুদ্ধ কৰিলে। যুদ্ধত মোগলক পৰাস্ত কৰিলে। অৱশেষত মোগলক খেদি নি মানাহ নদী পাৰ কৰি থলে।

গুৱাহাটীৰ বৰফুকন লাচিতে মোগলৰ লগত যুঁজ কৰি মোগলক পৰাস্ত কৰিলে আৰু মোগলক খেদি নি মানাহ নদী পাৰ কৰি থ'লে। নাইবা— লাচিতে গুৱাহাটীৰ

বৰফুকন হৈ মোগলৰ লগত যুঁজ কৰিলে আৰু যুঁজত মোগলক পৰাস্ত কৰি খেদি নি মানাহ নদী পাৰ কৰি থলে।

(খ) বেলেগ বেলেগ উদ্দেশ্য থকা দুই বা ততোধিক বাক্যৰ সমাপিকা ক্রিয়া একে হ'লে উদ্দেশ্যবোৰ সংযোজক অব্যয়ৰে যোগ কৰি এবাৰ মাথোন সমাপিকা ক্রিয়া ব্যৱহাৰ কৰিলে বাক্যবোৰ সংযোজিত হ'ব। যথা,

১। ৰীণা গ'ল। বীণা গ'ল। মীনাও ঘৰলৈ গ'ল।
ৰীণা, বীণা আৰু মীনা ঘৰলৈ গ'ল।

২। অঞ্জলিয়ে ভাত খালে। ককায়েকেও ভাত খালে। ভনীয়েকেও ভাত খালে।

অঞ্জলি, তাইৰ ককায়েক আৰু ভনীয়েকে ভাত খালে।

(গ) বিভিন্ন উদ্দেশ্য আৰু বিধেয়ৰ বাক্য হ'লে, কোনটো বাক্য বাক্যাংশলৈ পৰিৱৰ্তিত কৰি এটা সৰল বাক্য কৰি সংযোগ কৰিব পাৰি। যথা–

১। সূৰ্য অস্ত গ'ল। পশু-পক্ষীবোৰ নিজ নিজ বাহত সোমাল। ৰাতিৰ বাবে সিহঁতে জিৰণি ল'লে।

সূৰ্য অস্ত যোৱাত (বা গ'লত) পশু-পক্ষীবোৰ নিজ নিজ বাহত সোমাই ৰাতিৰ বাবে জিৰণি ল'লে।

২। অযোধ্যাৰ ৰজা ৰামচন্দ্ৰ পৰম ধাৰ্মিক। প্ৰজাসকলক পুত্ৰৰ নিচিনা দেখিছিল। তেওঁৰ দিনত সকলো প্ৰজা সুখী আছিল।

পৰম ধাৰ্মিক আযোধ্যাৰ ৰজা ৰামচন্দ্ৰই প্ৰজাসকলক পুত্ৰৱৎ পালন কৰাত সকলো প্ৰজা সুখী আছিল।

(ঘ) দুটা বা ততোধিক বাক্যৰ অধীন খণ্ডবাক্য থাকিলে, তাৰ সমাপিকা ক্ৰিয়া কৃদন্ত সংযোজক কৰি বাক্যাংশ গঠন কৰি বাক্যবোৰ সংযোগ কৰিব পাৰি। যথা–

১। যিমান দিন লগত ধন থাকে, সিমান দিন খৰচ কৰ। আনন্দ-স্ফূৰ্তি কৰ।
লগত ধন থাকোঁতে খৰচ কৰি আনন্দ-স্ফূৰ্তি কৰ।

২। অসমৰ ভাষা-সংস্কৃতি উচ্চ খাপৰ। যি সকলে অসমত বাস কৰে, সেই সকলো দেশী-বিদেশীয়ে ইয়াক সন্মান কৰা উচিত।

অসমত বাস কৰা সকলো দেশী-বিদেশী লোকে অসমৰ উচ্চ খাপৰ ভাষা-সংস্কৃতিক সন্মান কৰা উচিত।

(ঙ) কাল আৰু স্থান বুজোৱা খণ্ডবাক্য থাকিলে, সেই খণ্ডবাক্যৰ ঠাইত কালবাচক বা স্থানবাচক শব্দ ব্যৱহাৰ কৰি বাক্য সংযোজন কৰিব পাৰি। যথা–

১। যেতিয়া মই ব্যাকৰণ পঢ়োঁ তেতিয়া আনে কথা পাতি থকা মই সহ্য কৰিব নোৱাৰোঁ।

ব্যাকৰণ পঢ়ি থকাৰ (বা পঢ়াৰ) সময়ত আনে কথা পাতি থকা মই সহ্য নকৰোঁ।

DAILY ASSAM

২। যি কোঠাত আমি পঢ়োঁ, সেই কোঠাটো পৰিপাটিকৈ সজোৱা। তাত এটা আলমাৰী আৰু দুখন চকী-মেজ আছে।

পৰিপাটিকৈ সজোৱা আমি পঢ়া কোঠাত এটা আলমাৰী আৰু দুখন চকী-মেজ আছে।

(চ) অৰ্থৰ সংগতি ৰাখি কোনো বাক্যক এটি পদৰ সম্প্ৰসাৰক কৰি বাক্য সংযোজন কৰিব পাৰি। যথা—

অসমলৈ আহোমসকল আহে। তেওঁলোক বাহুবলী, বীৰ আৰু সাহসী। তেওঁলোকে অসমত প্ৰায় ছশ বছৰ ৰাজত্ব কৰিছিল।

বাহুবলী, বীৰ আৰু সাহসী আহোমসকলে অসমলৈ আহি অসমত প্ৰায় ছশ বছৰ ৰাজত্ব কৰিছিল।

(ছ) দুই বা ততোধিক বাক্য অব্যয় পদেৰে সংযোগ কৰিব পাৰি। যথা—

১। কনকলতা অসমীয়া গাভৰু। তেওঁৰ অন্তৰত অদম্য স্বদেশ প্ৰেম আছিল। স্বদেশৰ বাবে হাঁহি হাঁহি মৃত্যুবৰণ কৰিলে। স্বাধীনতা যুদ্ধত তেওঁ শ্বহীদ হ'ল।

অসমীয়া গাভৰু কনকলতাৰ অন্তৰত থকা অদম্য স্বদেশ প্ৰেমৰ বাবে তেওঁ স্বাধীনতা যুদ্ধত মৃত্যুবৰণ কৰি শ্বহীদ হ'ল।

২। ৰুদ্ৰসিংহ বৰ পৰাক্ৰমী। তেওঁ আহোম স্বৰ্গদেউসকলৰ মাজত শ্ৰেষ্ঠ ৰজা।

ৰুদ্ৰসিংহ আহোম স্বৰ্গদেউসকলৰ মাজত শ্ৰেষ্ঠ আৰু পৰাক্ৰমী ৰজা।

৩। লাচিত বৰফুকন বাহুবলী আছিল। তেওঁ বৰ দয়ালু।

লাচিত বৰফুকন বাহুবলী, কিন্তু বৰ দয়ালু।

৪। এতিয়াও বন্ধ কৰা। পৰিণাম ভাল নহ'ব। সাময়িক উত্তেজনাই ধ্বংসৰ বাট মুকলি কৰি দিব।

যদি এতিয়াই বন্ধ নকৰা তেনেহ'লে পৰিণাম ভাল নহ'ব, কাৰণ সাময়িক উত্তেজনাই ধ্বংসৰ বাট মুকলি কৰি দিব।

মুঠতে সংযোগ কৰিবলগীয়া বাক্যবোৰৰ অৰ্থৰ কোনো পৰিৱৰ্তন নকৰি শুনিবলৈ শুৱলা কৰিহে বাক্য সংযোগ কৰিব লাগে। কোনো নিৰ্দিষ্ট নিয়মত পেলাই জোৰ কৰি সংযোগ কৰা উচিত নহয়। তেনে কৰিলে শ্ৰুতিকটু হ'ব পাৰে।

বাক্যবোৰ সংযোগ কৰোঁতে কেতিয়াবা সৰল বাক্য হিচাপে থাকিলেই শ্ৰুতিমধুৰ হয়। তাক তেনেভাৱেই সংযোজন কৰিব লাগে। কেতিয়াবা জটিল বাক্য ৰূপে গঢ়ি ললেহে শুৱলা শুনি, তেনে বাক্যবোৰক মিশ্ৰ বাক্য হিচাপে গঢ়িব লাগে।

আকৌ কেতিয়াবা অব্যয় পদেৰে বাক্যবোৰ সংযোগ কৰিলেহে শ্ৰুতি-মাধুৰ্য পোৱা যায়। তেনে বাক্যবোৰক যৌগিক বাক্য হিচাপে গঢ়ি ল'ব লাগে। বাক্য সংযোজনত কোনো ধৰা-বন্ধা নিয়ম নাই। শ্ৰুতি-মাধুৰ্য আৰোপ কৰাই ইয়াৰ লক্ষ্য।